## অধ্যায়-৮

# বেংক ৰাষ্ট্ৰীয়কৰণ
# (NATIONALISATION OF BANKS)

**বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ অৰ্থ** (Meaning of Nationalisation of Banks) ঃ

বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ অৰ্থ হৈছে ব্যক্তিগত খণ্ডৰ হাতৰ পৰা চৰকাৰৰ হাতলৈ বেংকৰ মালিকীস্বত্ব স্থানান্তৰ কৰা। ভাৰতত ১৯৪৯ চনৰ ১ জানুৱাৰীত ভাৰতীয় ৰিজাৰ্ভ বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল, অৰ্থাৎ ১ জানুৱাৰী ১৯৪৯ ৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকে চৰকাৰী মালিকানাধীন প্ৰতিষ্ঠান হিচাপে কাম কৰিবলৈ আৰম্ভ কৰিছিল।

ভাৰতৰ বেংকিং ব্যৱস্থাত বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ভাৰতত চাৰিটা পৰ্যায়ত ২৯টা মুখ্য বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। ভাৰতীয় ষ্টেট বেংক ১-৭-১৯৫৫ত, ভাৰতীয় ষ্টেট বেংকৰ ৮টা সহযোগী বেংক ১৯৫৯-৬০ চনত, ১৯-৭-১৯৬৯ তাৰিখে ১৪ টা মুখ্য বাণিজ্যিক বেংক আৰু ১৫-০৪-১৯৮০ তাৰিখে ৬টা মুখ্য বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। ইতিমধ্যে ১৭টা বেংকৰ একত্ৰীকৰণৰ বাবে বৰ্তমান ৰাজহুৱা খণ্ডত ১২টা বাণিজ্যিক বেংক আছে।

**ভাৰতত বেংক ৰাষ্ট্ৰীয়কৰণৰ উদ্দেশ্য** (Objectives of bank nationalisation in India) ঃ

১। **অৰ্থনৈতিক শক্তি কেন্দ্ৰীভূত হোৱাত বাধা দিয়া** (Preventing concentration of economic power) ঃ আৰম্ভণিতে কেইটামান আগশাৰীৰ ঔদ্যোগিক আৰু ব্যৱসায়িক প্ৰতিষ্ঠানৰ বাণিজ্যিক বেংকৰ সৈতে ঘনিষ্ঠ সম্পৰ্ক আছিল। এই বেংকবোৰৰ পৰিচালকসকল

একোজন উদ্যোগপতি আছিল, যিয়ে বেংকৰ বিত্তৰ ওপৰত একচেটিয়া নিয়ন্ত্ৰণ স্থাপন কৰিছিল। তেওঁলোকে বেংকৰ সম্পদবোৰ এনেদৰে ব্যৱহাৰ কৰিছিল যাতে নতুন ব্যৱসায়িক গোটবোৰে তেওঁলোকৰ ব্যৱসায়িক গোটবোৰৰ সৈতে প্ৰতিযোগিতা কৰি কোনো ধৰণৰ ব্যৱসায়ত প্ৰৱেশ কৰিব নোৱাৰে। এনেদৰে একচেটিয়া উদ্যোগৰ বিস্তাৰ প্ৰতিহত কৰিবৰ বাবে বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে।

২। **সামাজিক নিয়ন্ত্ৰণ পৰ্যাপ্ত নাছিল** (Social control was not adequate) ঃ চৰকাৰৰ 'সামাজিক নিয়ন্ত্ৰণ' ব্যৱস্থাই ভালদৰে কাম কৰা নাছিল। কিছুমান বেংকে সামাজিক নিয়ন্ত্ৰণৰ অধীনত দিয়া নিয়মাৱলী অনুসৰণ কৰা নাছিল। সেয়েহে সামাজিক নিয়ন্ত্ৰণৰ বিফলতাৰ বাবে ৰাষ্ট্ৰীয়কৰণৰ প্ৰয়োজন হৈছিল।

৩। **অগ্ৰাধিকাৰ খণ্ডলৈ পঞ্চবাৰ্ষিক পৰিকল্পনা অনুসৰি বেংক বিত্ত যোগান ধৰা** (Channelise the bank finance to plan priority sectors) ঃ বেংকে সাধাৰণ ৰাইজৰ পৰা সঞ্চয় সংগ্ৰহ কৰে। যদি এইবিলাক ব্যক্তিগত খণ্ডৰ হাতত থাকে তেতিয়া ৰাষ্ট্ৰীয় স্বাৰ্থ অৱহেলিত হ'ব পাৰে। ইয়াৰ উপৰিও পঞ্চবাৰ্ষিক পৰিকল্পনাত চৰকাৰে কিছুমান নিৰ্দিষ্ট খণ্ড যেনে— কৃষি, ক্ষুদ্ৰ উদ্যোগ আদিক অগ্ৰাধিকাৰ দিয়ে। সেয়েহে অগ্ৰাধিকাৰ খণ্ডবোৰত সম্পদৰ উপলব্ধতা নিশ্চিত কৰিবলৈ বেংকবোৰৰ ৰাষ্ট্ৰীয়কৰণ কৰা হৈছে।

৪। **অধিক জমা সংগ্ৰহ** (Greater mobilisation of deposits) ঃ ৰাজহুৱা খণ্ডৰ বেংকবোৰে গ্ৰাম্য অঞ্চলত শাখা খোলে য'ত ব্যক্তিগত বেংকবিলাক বিফল হৈছে। এনে দ্ৰুত শাখা সম্প্ৰসাৰণৰ বাবে গ্ৰাম্য সঞ্চয় সংগ্ৰহ কৰাৰ অধিক সম্ভাৱনা আছে।

৫। **ভাৰসাম্য আঞ্চলিক উন্নয়ন** (Balanced Regional Development) ঃ ভাৰতত বিত্তীয় সম্পদ আৰু ঋণ সুবিধাৰ অভাৱৰ বাবে কিছুমান ক্ষেত্ৰ পিছপৰা হৈ আছে। বেচৰকাৰী বেংকে দুৰ্বল ব্যৱসায়িক সম্ভাৱনা আৰু লাভৰ সুযোগৰ বাবে পিছপৰা অঞ্চলবোৰক অৱহেলা কৰিছে। সন্তুলিত আন্তঃআঞ্চলিক উন্নয়ন সম্ভৱ কৰিবৰ বাবে আৰু আঞ্চলিক বৈষম্য দূৰ কৰিবৰ বাবে বেংক বিত্তৰ যোগান ধৰিবলৈ বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল।

**বেংক ৰাষ্ট্ৰীয়কৰণৰ বিৰুদ্ধে সমালোচনা** (Criticisms against nationlisation of the banks) ঃ

বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ বিৰুদ্ধে বিভিন্ন সমালোচনাবোৰ নিম্নলিখিত ধৰণে সংক্ষিপ্ত কৰিব পাৰি—

(১) **উৎপাদনশীল উদ্দেশ্যৰ সলনি ৰাজনৈতিক উদ্দেশ্য** (Political purpose rather than for productive purpose) ঃ চৰকাৰে এটা বৃহৎ শক্তি অৰ্জন কৰিছে আৰু উৎপাদনশীল উদ্দেশ্যৰ সলনি ৰাজনৈতিক উদ্দেশ্যৰ বাবে বিত্তীয় সম্পদ ব্যৱহাৰ কৰাৰ বিপদ আছে।

(২) **ৰাষ্ট্ৰীয় পুঁজিবাদৰ আৰম্ভণি** (Begnning of State Capitalisms) ঃ যদি আমি বেংকৰ সম্পদ নিয়ন্ত্ৰণৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকত ন্যস্ত বিশাল ক্ষমতাৰ কথা বিবেচনা কৰোঁ, তেতিয়া বেংকিং সম্পদৰ প্ৰায় ৯০ শতাংশ ৰাষ্ট্ৰীয়কৰণৰ এনে কঠোৰ পদক্ষেপ সম্পূৰ্ণৰূপে অপ্ৰয়োজনীয়। ইয়াক ভাৰতত সমাজবাদৰ সলনি ৰাজ্যিক পুঁজিবাদৰ আৰম্ভণি হিচাপে গণ্য কৰা হয়।

(৩) **নিম্ন স্তৰৰ কাৰ্যকলাপ** (Low level of functioning) ঃ কিছুমানৰ অভিমত হৈছে যে ৰাষ্ট্ৰীয়কৰণৰ পিছত বেংকবোৰ কৃষি সমবায়ৰ স্তৰলৈ অৱনমিত হ'ব, যিবোৰ তেওঁলোকৰ অদক্ষতা আৰু দুৰ্নীতিপূৰ্ণ প্ৰথাৰ বাবে জনাজাত। কিছুমানে আশংকা কৰে যে এই ডাঙৰ বেংকবোৰ পৰিচালনা কৰা বিষয়াসকলেও সময়ৰ সৈতে ৰাজনীতিবিদসকলৰ ওচৰত সেও মানিব লাগিব।

(৪) **কম আকৰ্ষণীয় গ্ৰাহকৰ সেৱা** (Less attractive customers' services) ঃ ৰাষ্ট্ৰীয়কৃত বেঙ্কবোৰে আন ৰাজহুৱা প্ৰতিষ্ঠানৰ একে শাৰীত যোগদান কৰাটো নিশ্চিত, যিবোৰ তেওঁলোকৰ লোকচানৰ বাবে কাম কৰাৰ বাবে জনাজাত। সিদ্ধান্তহীনতা, দুৰ্নীতি আৰু দায়িত্বহীনতাৰ বাবে চৰকাৰী প্ৰতিষ্ঠানবোৰ ক্ষতিগ্ৰস্ত হৈছে। চৰকাৰী বেংকে গ্ৰাহকলৈ আগবঢ়াবলগীয়া সেৱাৰ গুৰুত্বক ভালদৰে উপলব্ধি কৰিব নোৱাৰিবও পাৰে।

(৫) **প্ৰতিশ্ৰুতিবোৰ বাস্তৱায়িত নহ'বও পাৰে** (Promises may not materialise) ঃ ৰাষ্ট্ৰীয়কৰণে ৰাতিটোৰ ভিতৰত বাণিজ্যিক বেংকবোৰক কৃষি বেংকলৈ ৰূপান্তৰ কৰিব নোৱাৰে। একেদৰে বেংক ঋণৰ বিষয়ে দৰিদ্ৰ আৰু মধ্যবিত্ত লোকসকলৰ মাজত উত্থাপিত আশা অৱশেষত মিছা প্ৰমাণিত হ'ব পাৰে।

**বেংক ৰাষ্ট্ৰীয়কৰণৰ প্ৰগতি** (Progress of banks nationalisation) ঃ

১৯৬৯ চনৰ জুলাই মাহত ৫০ কোটি টকা বা ততোধিক জমা থকা ১৪টা মুখ্য বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণ ভাৰতৰ ইতিহাসৰ এক ঐতিহাসিক আৰু গুৰুত্বপূৰ্ণ ঘটনা আছিল। ১৯৬৯ চনত ১৪টা বেংক আৰু ১৯৮০ চনত ৬টা বেংকৰ ৰাষ্ট্ৰীয়কৰণ কৰাৰ পিছত তেওঁলোকৰ নীতি আৰু কাম-কাজত এক ব্যাপক পৰিৱৰ্তন ঘটিছে। পৰিকল্পিত অৰ্থনৈতিক বিকাশ, মুদ্ৰাৰ যোগান বৃদ্ধি, বেংকিং অভ্যাসৰ বিকাশ, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা আৰু সৰ্বোপৰি বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ ফলত ভাৰতীয় বেংকিং ব্যৱস্থাই দ্ৰুত প্ৰগতি লাভ কৰিছে।

**ৰাষ্ট্ৰীয়কৃত বেংক/ৰাজহুৱা খণ্ডৰ বেংকসমূহৰ সাফল্য/প্ৰদৰ্শন/প্ৰগতি** (Achivement/ performances/progress of nationalised banks/public sector banks) ঃ

১। **শাখা সম্প্ৰসাৰণ** (Branch expansion) ঃ ৰাষ্ট্ৰীয়কৰণৰ আগতে বেংকবোৰ ৰক্ষণশীল আছিল আৰু মুখ্যতঃ মহানগৰ আৰু অন্যান্য মুখ্য চহৰত শাখা খুলিছিল। বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ পিছত শাখা সম্প্ৰসাৰণে গতি লাভ কৰিছিল। বাণিজ্যিক বেংকৰ বৰ্তমানৰ বৃহৎ পৰিমাণৰ শাখাৰ সংখ্যা বিস্তাৰৰ কাৰণ হৈছে ৰাষ্ট্ৰীয়কৰণৰ পিছৰ সময়ছোৱাত ৰাজহুৱা খণ্ডৰ বেংকবোৰে অনুসৰণ কৰা বৃহৎ শাখা সম্প্ৰসাৰণৰ ইচ্ছাকৃত নীতিৰ ফলাফল।

২। **জমা সংগ্ৰহ** (Deposit mobilisation) ঃ ৰাষ্ট্ৰীয়কৰণৰ পিছৰ সময়ছোৱাত জমা সংগ্ৰহৰ হাৰ যথেষ্ট বৃদ্ধি পাইছে। ৰাজহুৱা খণ্ডৰ বেংকবোৰে নিৰন্তৰ প্ৰচাৰ, বিস্তৃত শাখা বেংকিং আৰু গ্ৰাহকসকলক তুলনামূলকভাৱে দ্ৰুত সেৱাৰ জৰিয়তে মানুহৰ মাজত বেংকিং অভ্যাস বিকাশত যথেষ্ট অৰিহণা যোগাইছে। বেংক ৰাষ্ট্ৰীয়কৰণে আংশিকভাৱে বেংক শাখাৰ বিস্তৃত সম্প্ৰসাৰণ আৰু আংশিকভাৱে সঞ্চয় কৰ্তাসকলক প্ৰদান কৰা সুবিধাৰ বাবে জমা সংগ্ৰহ কৰিবলৈ এক ডাঙৰ উৎসাহ প্ৰদান কৰে।

৩। **বেংক ঋণৰ সম্প্ৰসাৰণ** (Expansion of bank credit) ঃ ঔদ্যোগিক আৰু কৃষি উৎপাদনৰ দ্ৰুত সম্প্ৰসাৰণ প্ৰতিফলিত কৰি বেংক ঋণৰ এক অভূতপূৰ্ব সম্প্ৰসাৰণ হৈছে। ৰাষ্ট্ৰীয়কৃত বেংকবোৰে উদ্যোগ, বাণিজ্য আৰু কৃষি ঋণৰ প্ৰয়োজনীয়তা আগৰ তুলনাত যথেষ্ট বৃহৎ পৰিমাণত যোগান ধৰি আহিছে। শেহতীয়া বছৰবোৰত বেংকৰ ঋণ প্ৰতি বছৰে প্ৰায় ২০ শতাংশ বৃদ্ধি হৈছে।

৪। **অগ্ৰাধিকাৰ খণ্ডলৈ অগ্ৰীম** (Advances to priority sectors) ঃ ৰাষ্ট্ৰীয়কৰণৰ পিছতে বাণিজ্যিক বেংকবোৰক কৃষি, ক্ষুদ্ৰ উদ্যোগ আৰু ব্যৱসায় আৰু ক্ষুদ্ৰ পৰিবহণ পৰিচালকক

অগ্ৰাধিকাৰ ভিত্তিত বিত্তৰ যোগানৰ বিষয়ে বিশেষভাৱে ব্যৱস্থা ল'বলৈ কোৱা হৈছিল। সময়ৰ লগে লগে খুচুৰা বেপাৰী, পেছাদাৰী আৰু স্ব-নিয়োজিত ব্যক্তি, শিক্ষা, দুৰ্বল শ্ৰেণীৰ বাবে গৃহ ঋণ আৰু উপভোক্তাৰ ঋণ আদিক অগ্ৰাধিকাৰ খণ্ডৰ অন্তৰ্ভুক্ত কৰা হয়। ৰাজহুৱা খণ্ডৰ বেংকবোৰে উৎসাহেৰে অগ্ৰাধিকাৰ খণ্ডলৈ ঋণ আগবঢ়াইছিল। ৰাষ্ট্ৰীয়কৰণৰ পিছত প্ৰগতিৰ হাৰ যথেষ্ট দ্ৰুত আছিল কিন্তু পিছলৈ প্ৰগতিৰ হাৰ হ্ৰাস পাইছিল।

৫। **বেংকিঙত বিবিধতা** (Diversification in banking) ঃ ১৯৬৯ চনৰ পৰা ভাৰতত হৈ থকা পৰিৱৰ্তনবোৰে বেংকিং কোম্পানীবোৰক তেওঁলোকৰ ৰক্ষণশীল আৰু পৰম্পৰাগত বেংকিং প্ৰণালী ত্যাগ কৰা আৰু নতুন আৰু প্ৰগতিশীল কাৰ্যকলাপ গ্ৰহণ কৰাৰ প্ৰয়োজন অনুভৱ কৰাইছিল। ৰাষ্ট্ৰীয় পৰিকল্পনা, ৰাজনীতি আৰু অগ্ৰাধিকাৰ অনুসৰি বেংকবোৰে এতিয়া ভাৰতীয় অৰ্থনীতিৰ বিকাশ আৰু বৈচিত্ৰতাৰ বাবে গুৰুত্বপূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছে। বেংকবোৰে সদাগৰী বেংকিং আৰু অৱলেখন, মিউচুৱেল ফাণ্ড, পৰ্টফলিঅ' ব্যৱস্থাপনা, লীজিং আৰু গৃহ বিত্ত আদিৰ দৰে কাৰ্যকলাপৰ নতুন ক্ষেত্ৰত প্ৰৱেশ কৰিছে।

৬। **চৰকাৰী প্ৰতিভূতিত বিনিয়োগ** (Investment in government securities) ঃ ৰাষ্ট্ৰীয়কৃত বেংকবোৰেও চৰকাৰী প্ৰতিভূতি ক্ৰয়ৰ জৰিয়তে দেশৰ অৰ্থনৈতিক পৰিকল্পনাৰ বাবে বিত্ত যোগান ধৰিব বুলি আশা কৰা হৈছিল।

৭। **জমাৰ গাঁথনিৰ পৰিৱৰ্তন** (Change in composition of deposits) ঃ বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ পিছত চাহিদা আৰু ম্যাদী জমাৰ আপেক্ষিক অনুপাতও সলনি হৈছে। ম্যাদী জমাৰ অনুপাত ১৯৬৯ চনত ৫০%ৰ পৰা নিৰন্তৰভাৱে বৃদ্ধি পাইছে। ইয়ে বাণিজ্যিক বেংকসমূহৰ স্থায়ী জমাৰ পক্ষত পৰিৱৰ্তনৰ স্পষ্ট ইংগিত দিয়ে।

৮। **সুতৰ বিভেদীকৰণ আঁচনি** (Differential rate of interest scheme) ঃ সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক ৰেহাই হাৰত বেংক ঋণ প্ৰদান কৰাৰ লক্ষ্যৰে চৰকাৰে ১৯৭২ চনৰ এপ্ৰিলৰ পৰা এই আঁচনিখন প্ৰৱৰ্তন কৰিছিল। এই আঁচনিৰ অধীনত ৰাজহুৱা খণ্ডৰ বেংকবোৰে সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকসকলক ৪% সুতৰ হাৰত ঋণ প্ৰদান কৰি আহিছে। তেওঁলোকৰ ভিতৰত যিবিলাকৰ বেংকক আগবঢ়াবলৈ কোনো দৃশ্যমান জামিন নাই কিন্তু যিসকলে বেংকৰ পৰা বিত্তীয় সাহাৰ্য লৈ তেওঁলোকৰ অৰ্থনৈতিক অৱস্থা উন্নত কৰিব পাৰে, তেওঁলোকলৈ বেংকে এই আঁচনিৰ অধীনত বিত্তীয় সাহাৰ্য আগবঢ়াই আহিছে।

——

## সাৰাংশ

- **বেংকৰ ৰাষ্ট্ৰীয়কৰণ—**

বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ অৰ্থ হৈছে ব্যক্তিগত খণ্ডৰ হাতৰ পৰা চৰকাৰৰ হাতলৈ বেংকৰ মালিকীস্বত্ব স্থানান্তৰ কৰা।

ভাৰতৰ বেংকিং ব্যৱস্থাত বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণ এক গুৰুত্বপূৰ্ণ পদক্ষেপ। ভাৰতত চাৰিটা পৰ্যায়ত ২৯টা মুখ্য বেংক ৰাষ্ট্ৰীয়কৰণ কৰা হৈছিল। ভাৰতীয় ষ্টেট বেংক ১-৭-১৯৫৫ত, ভাৰতীয় ষ্টেট বেংকৰ ৮টা সহযোগী বেংক ১৯৫৯-৬০ চনত, ১৯-৭-১৯৬৯ তাৰিখে ১৪ টা মুখ্য বাণিজ্যিক বেংক আৰু ১৫-০৪-১৯৮০ তাৰিখে ৬টা মুখ্য বাণিজ্যিক বেংক ৰাষ্ট্ৰীকৰণ কৰা হৈছিল।

- **ভাৰতত বেংক ৰাষ্ট্ৰীয়কৰণৰ উদ্দেশ্য—**

১। অৰ্থনৈতিক শক্তি কেন্দ্ৰীভূত হোৱাত বাধা দিয়া

২। সামাজিক নিয়ন্ত্ৰণ পৰ্যাপ্ত নাছিল

৩। অগ্ৰাধিকাৰ খণ্ডলৈ পঞ্চবাৰ্ষিক পৰিকল্পনা অনুসৰি বেংক বিত্ত যোগান ধৰা

৪। অধিক জমা সংগ্ৰহ

৫। ভাৰসাম্য আঞ্চলিক উন্নয়ন।

- **বেংক ৰাষ্ট্ৰীয়কৰণৰ বিৰুদ্ধে সমালোচনা—**

বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ বিৰুদ্ধে বিভিন্ন সমালোচনাবোৰ নিম্নলিখিত ধৰণে সংক্ষিপ্ত কৰিব পাৰি—

(১) উৎপাদনশীল উদ্দেশ্যৰ সলনি ৰাজনৈতিক উদ্দেশ্য

২) ৰাষ্ট্ৰীয় পুঁজিবাদৰ আৰম্ভণি

৩) নিম্ন স্তৰৰ কাৰ্যকলাপ

৪) কম আকৰ্ষণীয় গ্ৰাহকৰ সেৱা

৫) প্ৰতিশ্ৰুতিবোৰ বাস্তৱায়িত নহ'বও পাৰে।

- **বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ প্ৰগতি—**

পৰিকল্পিত অৰ্থনৈতিক বিকাশ, মুদ্ৰাৰ যোগান বৃদ্ধি, বেংকিং অভ্যাসৰ বিকাশ, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা নিয়ন্ত্ৰণ আৰু নিৰ্দেশনা আৰু সৰ্বোপৰি বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণৰ ফলত ভাৰতীয় বেংকিং ব্যৱস্থাই দ্ৰুত প্ৰগতি লাভ কৰিছে।

**বাণিজ্যিক বেংকৰ ৰাষ্ট্ৰীয়কৰণৰ উল্লেখযোগ্য সাফল্যসমূহ—**

১। শাখা সম্প্ৰসাৰণ

২। জমা সংগ্ৰহ

৩। বেংক ঋণৰ সম্প্ৰসাৰণ

৪। অগ্ৰাধিকাৰ খণ্ডলৈ অগ্ৰীম

৫। বেংকিঙত বিবিধতা

৬। চৰকাৰী প্ৰতিভূতিত বিনিয়োগ

৭। জমাৰ গাঁথনিৰ পৰিৱৰ্তন

৮। সুতৰ বিভেদীকৰণ আঁচনি।

——